মোবাইল ফ্ৰেইণ্ডলি
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, MARCH 25, 2024 www.newsnextone.comৰ অনলাইন দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৮৭ Guwahati, Assam ।। মূল্যঃ এটকা

## ঘোষণা তথা শুভেচ্ছা



সমূহ পঢ়ুৱৈক ফাকুৱাৰ শুভেচ্ছা জনালো। অহা সোমবাৰে আমাৰ কাকতৰ কাৰ্যালয় বন্ধ থাকিব। কাকতৰ পৰৱৰ্তী সংখ্যা প্ৰকাশ পাব ২৭ মাৰ্চত।

## পত্নীৰ বাবেই ‘পদ’ ত্যাগ নৰহৰ

**ই-সংবাদ, ২৪ মাৰ্চঃ** লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটদানৰ বাবে মাজ মাথোঁ কেইটামান দিন বাকী থকা অৱস্থাত লখিমপুৰ সংসদীয় সমষ্টিৰ প্ৰাৰ্থীৰ শেষাংশ ২ পৃষ্ঠাত

# যোগদানৰ এঘণ্টা পিছতে কংগ্ৰেছীক টিকট দিলে বিজেপিয়ে!

## মাণ্ডিৰ পৰা নিৰ্বাচন খেলিব কংগনাই



**নতুন দিল্লী, ২৪ মাৰ্চঃ** বিজেপিত যোগদানৰ এঘণ্টাৰ ভিতৰতে টিকট লাভ কৰিলে নবীন জিন্দালে। আজি কংগ্ৰেছ নেতা নবীন জিন্দালে সন্ধিয়া ৭ বজাত বিজেপিত যোগদান কৰিছিল। কিন্তু ৮ বজাত বিজেপিয়ে ঘোষণা কৰা প্ৰাৰ্থী তালিকাত নাম প্ৰকাশ পায় নবীন জিন্দালৰ। বিজেপিয়ে হাৰিয়ানাৰ কুৰুক্ষেত্ৰ শেষাংশ ৪ পৃষ্ঠাত

■ কি হ'ব লুৰীণ? কি ভাবা?



■ কিবা এটা হ'ব ককাইদেউ...

## কেজৰিৱালৰ গ্ৰেপ্তাৰৰ বিৰুদ্ধে ঐক্যবদ্ধ ‘ইণ্ডিয়া’! মোদীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা

# ৩১ মাৰ্চত ৰামলীলা ময়দানত বিৰোধীৰ মহাৰেলী




**নতুন দিল্লী, ২৪ মাৰ্চঃ** দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ গ্ৰেপ্তাৰৰ প্ৰতিবাদত যোৱা ৩ দিন ধৰি ৰাজধানী মহানগৰীৰ পথ-উপপথত বিক্ষোভ, প্ৰতিবাদী মিছিল অব্যাহত ৰাখিছে আপ নেতা-কৰ্মীসকলে। কেৱল দিল্লীয়েই নহয়, দেশৰ ভিন্ন প্ৰান্ততো দলটোৰে সাব্যস্ত কৰি আহিছে প্ৰতিবাদ। কেজৰিৱালৰ গ্ৰেপ্তাৰক লৈ শেষাংশ ২ পৃষ্ঠাত

## আজমলক ধুবুৰী এৰি দিলে মুখ্যমন্ত্ৰীয়ে!

**ই-সংবাদ, ২৪ মাৰ্চঃ** সহযোগী দলক এৰি দিয়া তিনিটা সমষ্টিৰ ভিতৰত দুটা সমষ্টি ভ্ৰমণ কৰি আজি প্ৰচাৰক লৈ কৰা প্ৰস্তুতিৰ বুজ ল'লে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীয়ে কোকৰাঝাৰ আৰু বৰপেটা লোকসভা সমষ্টিৰ প্ৰাৰ্থী আৰু সহযোগী দলৰ নেতা-কৰ্মীক শেষাংশ ৫ পৃষ্ঠাত

## বিৰোধীৰ ষ্টাৰ প্ৰচাৰক অখিল!

■ সবিশেষ ৩ পৃষ্ঠাত

## জেএনইউত আকৌ বাওপন্থীৰ জয়-জয়কাৰ



■ সবিশেষ বাতৰি ৪ পৃষ্ঠাত চাওক

## বৰসবাহত একলগ হ'ল সৰ্বা-লুৰীণ

■ সবিশেষ ৩ পৃষ্ঠাত

## অসমৰ ‘সিংঘম’ বিহাৰত গুৰুত্বহীন, নাপালে টিকট

**ই-সংবাদ বিশেষ, ২৪ মাৰ্চঃ** আজি বিজেপিয়ে প্ৰকাশ কৰা পঞ্চমখন প্ৰাৰ্থী তালিকাত বিহাৰৰ বাক্সাৰ সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। বক্সাৰ সমষ্টিৰ প্ৰাৰ্থীত্ব মিথিলেশ তিৱাৰীক দিয়াৰ পাছতে এটা নাম খুব চৰ্চালৈ আহিছে। সেই নামটো হৈছে প্ৰাক্তন আইপিএছ আনন্দ মিশ্ৰ।



চাকৰি ত্যাগ কৰি অসম এৰি যোৱা আনন্দ মিশ্ৰক টিকট নিদিলে বিজেপিয়ে। বিজেপিৰ তালিকাত বাক্সাৰ সমষ্টিৰ প্ৰাৰ্থী ৰূপে আনন্দ মিশ্ৰৰ নাম দেখা নোপোৱাত বিভিন্ন লোকে চৰ্চা কৰা দেখা গৈছে। ক'বলৈ গ'লে বিজেপিয়ে প্ৰকাশ কৰা প্ৰাৰ্থী তালিকাত নাম নাই বহু চৰ্চিত শেষাংশ ৩ পৃষ্ঠাত

# ৩১ মাৰ্চত ৰামলীলা

প্ৰথম পৃষ্ঠাৰ পৰা...

আপৰ লগতে বিৰোধী দলসমূহো সৰৱ হৈ পৰিছে। ইয়াৰ মাজতে দেওবাৰে ইণ্ডিয়া এলায়েন্সে সংবাদমেল অনুষ্ঠিত কৰি এইবাৰ মহাৰেলী অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছে। সংবাদমেলত জনোৱা মতে অহা ৩১ মাৰ্চত দিল্লীৰ ঐতিহাসিক ৰামলীলা ময়দানত আয়োজন কৰা হৈছে এই মহাৰেলীৰ। এই সন্দৰ্ভত দিল্লীৰ আপ নেতা তথা মন্ত্ৰী গোপাল ৰায়ে কয়, 'কেজৰিৱালক যিধৰণে গ্ৰেপ্তাৰ কৰা হৈছে, সেই কাৰ্যই দেশৰ জনতাক ক্ষোভিত কৰি তুলিছে। প্ৰধানমন্ত্ৰীয়ে বিৰোধী নেতাসকলক ভয় দেখুৱাবলৈ তদন্তকাৰী সংস্থাসমূহ ব্যৱহাৰ কৰিছে। ঝাৰখণ্ডৰ হেমন্ত ছোৰেন, বিহাৰৰ তেজস্বী যাদৱ—সকলোৰে বিৰুদ্ধে মিছা অভিযোগত গোচৰ ৰুজু কৰা হৈছে।' প্ৰতিবাদ ৰোধ কৰিবলৈ দিল্লীক কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে একপ্ৰকাৰ দুৰ্গত পৰিণত কৰিছে বুলিও অভিযোগ উত্থাপন কৰে আপ আৰু কংগ্ৰেছে। ৰায়ে আৰু কয়, 'কেজৰিৱালৰ পৰিয়ালকো গৃহবন্দী কৰি ৰখা গৈছে। আপৰ কাৰ্যালয়ত তলা লগাই দিছে। এতিয়া দেশত নিৰ্বাচনী আচৰণ বিধি বলৱৎ হৈ আছে। আমি নিৰ্বাচনৰ বাবে সাজু হৈছো। সেয়ে আমাক এতিয়া চাৰিওফালৰ পৰা বান্ধি ৰাখিবলৈ বিজেপি উঠি-পৰি লাগিছে। কংগ্ৰেছে নিৰ্বাচনত প্ৰচাৰ কৰিব নোৱাৰাকৈ বেংক একাউণ্ট ফ্ৰীজ কৰি দিছে। এয়া সম্পূৰ্ণৰূপে গণতন্ত্ৰ বিৰোধী। এনে সিদ্ধান্তৰ প্ৰতিবাদ সমগ্ৰ দেশে কৰাৰ সময় আহি পৰিছে।' আনহাতে সংবাদমেলত দিল্লী প্ৰদেশ কংগ্ৰেছৰ সভাপতি অৰবিন্দৰ সিং লাভলিয়েও বিজেপিক তীব্ৰ সমালোচনা কৰে। তেওঁ কয়, 'এয়া কেনেধৰণৰ গণতন্ত্ৰ? মিছা অভিযোগ জাঁপি দি নিৰ্বাচিত মুখ্যমন্ত্ৰীক ধৰি-বান্ধি জেললৈ প্ৰেৰণ কৰা হৈছে। প্ৰধান বিৰোধী দল কংগ্ৰেছৰ বেংক একাউণ্ট নিৰ্বাচনৰ সময়ত ফ্ৰিজড কৰি দিয়া হৈছে। আমাৰ নেতা ৰাহুল গান্ধীয়ে গণতন্ত্ৰ ৰক্ষাৰ বাবে যুদ্ধ অব্যাহত ৰাখিছে। কংগ্ৰেছে এই যুদ্ধৰ পৰা এক ইঞ্চিও পিছুৱাই নাযায়।' উল্লেখ্য যে কেজৰিৱালৰ গ্ৰেপ্তাৰক অবৈধ আখ্যা দি আজিও একাধিক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছে আপে। অৱশ্যে ২৫ মাৰ্চত হোলীৰ দিনটোত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণৰ পৰা বিৰত থকাৰ সিদ্ধান্ত লৈছে আপে। ইয়াৰ পিছতে ২৬ মাৰ্চত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাসভৱন ঘেৰাও কৰাৰ লগতে ৩১ মাৰ্চত অনুষ্ঠিত হ'ব বিশাল প্ৰতিবাদী সভা আৰু মহাৰেলী। এই মহাৰেলীত ইণ্ডিয়া মিত্ৰজোঁটৰ প্ৰতিটো দলৰ নেতা-কৰ্মীৰ লগতে গণতন্ত্ৰপ্ৰেমী সাধাৰণ ৰাইজকো ভাগ ল'বলৈ আজিৰ সংবাদমেলত আহ্বান জনাইছে আয়োজকসকলে।

# পত্নীৰ বাবেই 'পদ'

প্ৰথম পৃষ্ঠাৰ পৰা...

নাম ঘোষণাক কেন্দ্ৰ কৰি প্ৰদেশ কংগ্ৰেছত পাৰ্শ্বক্ৰিয়া দেখা গৈছে৷ লখিমপুৰ সংসদীয় সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণাৰ পাছতে কংগ্ৰেছত অন্তঃকলহ আৰম্ভ হৈছে৷ কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ভৰত নৰহৰ পত্নী তথা প্ৰাক্তন সাংসদ ৰাণী নৰহৰ পৰিৱৰ্তে উদয় শংকৰ হাজৰিকাক প্ৰদান কৰা হৈছে দলীয় টিকট৷ ৰাণী নৰহক প্ৰাৰ্থীত্ব নিদিয়াত নৰহ দম্পতি নাৰাজ বুলি চৰ্চাৰ মাজতে আজি প্ৰদেশ কংগ্ৰেছৰ গুৰুত্বপূৰ্ণ পদ ত্যাগ কৰিছে ভৰত নৰহে৷ প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ পদ ত্যাগৰ ঘোষণা কৰিছে ভৰত নৰহে৷ প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰালৈ পদত্যাগ পত্ৰ প্ৰেৰণ কৰিছে ভৰত নৰহে৷ উল্লেখ্য যে, ৰাণী নৰহে লখিমপুৰ সমষ্টিত টিকট বিচাৰি আবেদন কৰিছিল৷ আনকি কেইবাদিন ধৰি দিল্লীত বাহৰ পাতি আছিল ৰাণী নৰহ আৰু ভৰত নৰহ৷ দিল্লীত ছোনীয়া গান্ধীক সাক্ষাৎ কৰিছিল ৰাণী নৰহে৷ ইমান প্ৰয়াসৰ পাছতো কাম নিদিলে৷ শেষত টিকট প্ৰদান কৰা হ'ল উদং শংকৰ হাজৰিকাক৷ ফলত নৰহ দম্পতি ভূপেন বৰাৰ বিৰুদ্ধে ক্ষোভিত হৈ মিডিয়া বিভাগৰ অধ্যক্ষ পদ ত্যাগ কৰিছে বুলি জানিব পৰা গৈছে৷ ইফালে নৰহক সৈমান কৰাবলৈ চেষ্টা চলা বুলিও জানিব পৰা গৈছে৷

# আইছিছৰে সম্পৰ্কৰ সন্দেহত জম্মুৰ ছাত্ৰক আটক

**ই-সংবাদ, ২৪ মাৰ্চঃ** ৰক্তপিপাসু আইছিছে অসমত ভয়ংকৰ জাল পেলোৱাৰ সন্দেহ কৰা হৈছে৷ দুদিন পূৰ্বে আইছিছৰ মুৰব্বী ধৰা পৰাৰ পাছতে এইবাৰ গুৱাহাটীৰ চহৰৰ সমীপৱৰ্তী শিক্ষানুষ্ঠানত অধ্যয়নৰত দুজনকৈ ছাত্ৰই আইছিছৰ যোগদান প্ৰতিশ্ৰুতি দিয়াৰ তথ্য প্ৰকাশ পাইছে৷ আইআইটি গুৱাহাটীত অধ্যয়নৰত ছাত্ৰই আইছিছত যোগদানৰ প্ৰতিশ্ৰুতি দিয়া বুলি দাবী কৰি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে৷ অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী গোটে সন্দেহজনক আইছিছৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে৷ আজি আইআইটি গুৱাহাটীৰ আন এজন ছাত্ৰক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে এছটিএফে৷ কালি তৌছিফ আলী ফাৰুকী নামৰ ছাত্ৰজনক গ্ৰেপ্তাৰৰ পাছতে আজি ছহাউলৰ ৰহমান নামৰ ছাত্ৰজনক এছটিএফে সোধ-পোছৰ বাবে আটক কৰা বুলি জানিব পৰা গৈছে৷ ছহাউলৰ ৰহমান জম্মুত বুলি জানিব পৰা গৈছে৷ গুৱাহাটী আইআইটিৰ লোহিত হোষ্টেলৰ ছাত্ৰ ছহাউলৰ ৰহমানক জিম্মাত লৈ জেৰা কৰিব আৰক্ষীয়ে৷ আদালতত হাজিৰ কৰি অধিক তথ্য উদ্ধাৰৰ বাবে জিম্মাত বিচাৰিব আৰক্ষীয়ে৷ এদিন পূৰ্বে আইআইটি গুৱাহাটীত অধ্যয়নৰত ছাত্ৰ তৌছিফ আলী ফাৰুকিক গ্ৰেপ্তাৰ কৰিছিল৷ গুৱাহাটীৰ পাণবজাৰৰ আজমত আলী ফাৰুকিৰ পুত্ৰ তৌছিফ আলী ফাৰুকি৷ আৰক্ষীয়ে সন্ত্ৰাসবাদী সংগঠন আইছিছৰ সৈতে সম্পৰ্ক ৰক্ষা কৰাৰ এটা ই-মেইল উদ্ধাৰ কৰা বুলি প্ৰকাশ পাইছে৷ ই-মেইলত ফাৰুকিয়ে সন্ত্ৰাসবাদী সংগঠনটোত যোগদানৰ কথা প্ৰকাশ কৰিছিল৷ ই-মেইলৰ জৰিয়তে ফাৰুকিয়ে নিজেই এই কথা ঘোষণা কৰিছিল। উল্লেখ্য যে, মাত্ৰ দুদিন পূৰ্বে ধুবুৰীৰ ধৰমশালাত অসম আৰক্ষীয়ে অভিযান চলাই গ্ৰেপ্তাৰ কৰিছিল দুই আইছিছৰ শীৰ্ষ নেতাক। ধৃত এই আইছিছ সদস্য দুজন হৈছে হৰিশ ফাৰুকি ওৰফে হৰিশ আজমল ফাৰুকি আৰু অনুৰাগ সিং ওৰফে ৰেহান ।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বৰসবাহত একলগ হ’ল

**ই-সংবাদ, ডিব্ৰুগড়, ২৪ মাৰ্চঃ** ইয়াকে হয়তো কয় মূল্যবোধৰ ৰাজনীতি! দুই ৰাজনৈতিক প্ৰতিদ্বন্দ্বী ডিব্ৰুগড়ৰ প্ৰাৰ্থী লুৰীণজ্যোতি গগৈ আৰু সৰ্বানন্দ সোণোৱালে হাঁহি স্ফূৰ্তি কৰি থানত সময় পাৰ কৰাৰ দৃশ্যই যেন নতুন প্ৰজন্মক মূল্যবোধৰ ৰাজনীতিৰ শিক্ষা দিলে। ইতিমধ্যে দুই প্ৰতিদ্বন্দ্বী ৰাজনীতিকৰ ফটো আৰু ভিডিঅ’ সামাজিক মাধ্যমত ভাইৰেল হৈছে৷ প্ৰাপ্ত বাতৰি মতে, ডিব্ৰুগড় জিলাৰ মৰাণৰ খোৱাং হালধিবাৰী নগৰথানত অনুষ্ঠিত বৰসবাহত আজি দুয়োজন নেতাই একেলগে উপস্থিত হৈ আশীষ লয়৷ বৰসবাহত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈক একেলগে দেখা যায়৷ ডিব্ৰুগড় লোকসভা সমষ্টিৰ দুই প্ৰতিদ্বন্দ্বী সৰ্বানন্দ সোণোৱাল আৰু লুৰিণজ্যোতি গগৈয়ে থানত একেলগে আশীষ লৈ কৰমৰ্দনো কৰে৷ সততে ৰাজনৈতিক প্ৰতিদ্বন্দ্বীক কুকুৰে কাইট নোখোৱাকৈ গালি পৰা দেখা যায়৷ তুচ্ছ-তাছিল্য কৰি আক্ৰমণ কৰে৷ কিন্তু আজিৰ এই বিপৰীত দৃশ্যই ৰাজনীতিকৰ প্ৰতি মানুহৰ বিশ্বাস আৰু সন্মান কিছু হ’লে বৃদ্ধি কৰাব৷ দুয়ো নেতাই মত-বিনিময়ো কৰে৷ লুৰীণজ্যোতি গগৈক শুভেচ্ছা জনাই প্ৰতিদ্বন্দ্বী সৰ্বানন্দ সোণোৱালে৷ এনেদৰে ৰাজহুৱা অনুষ্ঠানত সৰ্বানন্দ সোণাৱলক লগ পাই লুৰীণজ্যোতি গগৈয়ে কয় যে পূৰ্বে আছুত থাকোতেও তেওঁৰ সৈতে সম্পৰ্ক আছিল৷ কিন্তু এতিয়া দুয়োৰে আদৰ্শ বেলেগ৷ সৰ্বানন্দ জাতিৰ সৈতে নাই, কিন্তু লুৰিণজ্যোতি সদায় জাতিৰ সৈতে৷ উল্লেখ্য যে সৰ্বানন্দ সোণোৱাল আৰু লুৰীণজ্যোতি গগৈক গুৰু-গম্ভীৰ নেতা ৰূপে গণ্য কৰি আহিছে ৰাজনৈতিক মহলে৷ একাংশ অতি তৰল-লঘূ নেতাৰ দৰে সৰ্বানন্দ সোণোৱাল আৰু লুৰীণজ্যোতি গগৈয়ে বাহুল্য কথা নোকোৱালে চাই বিৰোধীক সমালোচনা কৰিলেও মাৰ্জিতভাবে সমালোচনা কৰাৰ পৰিপ্ৰেক্ষিততে এতিয়া সচেতন ৰাইজৰ পৰা প্ৰশংসা বুটলিবলৈ সমৰ্থ হৈছে দুইগৰাকী নেতাই।

প্ৰথম পৃষ্ঠাৰ পৰা...

# অসমৰ ‘সিংঘম’ বিহাৰত

আইপিএছ বিষয়া আনন্দ মিশ্ৰৰ৷ অসমৰ কেইবাখনো জিলাত অসম আৰক্ষীৰ বিভিন্ন পদবীত কাৰ্যনিৰ্বাহ কৰি চাকৰি ত্যাগ কৰি ৰাজনীতিৰ পথাৰলৈ যোৱা আইপিএছ আনন্দ মিশ্ৰক প্ৰাৰ্থিত্ব প্ৰদান নকৰিলে বিজেপিয়ে৷ বিহাৰৰ বাক্সাৰ সমষ্টিত টিকট লাভ কৰিবলগীয়া আছিল আনন্দ মিশ্ৰই৷ কিন্তু পঞ্চম তালিকাত বাক্সাৰ সমষ্টিৰ প্ৰাৰ্থীৰ নাম আহিল যদিও প্ৰাৰ্থী আনন্দ মিশ্ৰ নহয়৷ বাক্সাৰ সমষ্টিৰ প্ৰাৰ্থী মিথিলেশ তিৱাৰীহে৷ চৰ্চা চলা অনুযায়ী বিজেপিৰ টিকট লাভ কৰাৰ আশা কৰিয়েই চাকৰি ত্যাগ কৰিছিল আনন্দ মিশ্ৰাই৷ লখিমপুৰ জিলাত আৰক্ষী অধীক্ষক হৈ থকাৰ সময়তে ১৬ জানুৱাৰীত চাকৰি ত্যাগ কৰিছিল৷ চাকৰিকালত বহু বিতৰ্কত সোমাই পৰিছিল আনন্দ মিশ্ৰ৷ নগাঁৱৰ আছুৰ নেতা কীৰ্তিকমল বৰাক এনকাউণ্টাৰ কৰিছিল৷ লগতে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ অমান্য কৰি সামাজিক মাধ্যমত ব্যস্ত থাকি মুখ্যমন্ত্ৰীৰ ৰোষত পৰিছিল৷ এইগৰাকী যুৱ বিষয়াই শেষত চাকৰি ত্যাগ কৰি সমাজসেৱা কৰিব খুজিছিল৷ বিহাৰৰ আৰাহৰ বাসিন্দা তথা বাক্সাৰ লোকসভা আসনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ টিকট বিচাৰিছিল। সমষ্টিটোত বৰ্তমান কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী অশ্বিনী কুমাৰ চৌবে সাংসদ হৈ আছে৷ আনহাতে গৃহ আৰাহ সমষ্টিত কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী আৰ.কে সিং সাংসদ হৈ আছে৷ আনন্দ মিশ্ৰই বিজেপিৰ পৰা নিশ্চিতভাৱে টিকট লাভৰ আশা কৰি চাকৰি ত্যাগ কৰি অসম এৰি গৈছিল৷ অসম-মেঘালয় কেডাৰৰ ২০১১ বেচৰ আইপিএছ বিষয়া আছিল মিশ্ৰ। ইউপিএছচি-২০১০ত সৰ্বভাৰতীয় ৰেংক আছিল ২২৫। মিশ্ৰক মণিপুৰত সংঘটিত হিংসাৰ তদন্তৰ বাবে গঠিত এছআইটিৰ সদস্য কৰা হৈছিল৷ ছ'চিয়েল মিডিয়াত ‘অসমৰ সিংঘম’ বুলি অভিহিত কৰা হৈছিল। ৰাজনীতিৰ পথাৰত ভৰি থোৱাৰ মানসেৰে আৰক্ষীৰ জগতখনক বিদায় জনাই ঘৰমুৱা হৈছিল যদিও আজি প্ৰাৰ্থিত্ব লাভ নকৰাত এতিয়া মিশ্ৰৰ প্লেন 'বি' কি হয় সেয়া লক্ষণীয় হ’ব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিৰোধীৰ ষ্টাৰ প্ৰচাৰক

**ই-সংবাদ, ২৪ মাৰ্চঃ** গুৱাহাটী এৰি উজনিত বাহৰ পাতিছে শিৱসাগৰৰ বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে৷ বিৰোধী মিত্ৰজোঁটৰ চেলিব্ৰিটি প্ৰচাৰকত পৰিণত হৈছে অখিল গগৈ৷ যোৰহাট সমষ্টি আৰু ডিব্ৰুগড় সমষ্টিৰ বিৰোধী ঐক্যৰ প্ৰাৰ্থীৰ ব্যাপক প্ৰচাৰত অংশ লোৱা দেখা গৈছে অখিল গগৈক৷ অখিল গগৈয়ে লুৰীণজ্যোতি গগৈ আৰু গৌৰৱ গগৈৰ হৈ বলিং-বেটিং কৰি পানী ঘোলা কৰি পেলাইছে৷ আজি ডিব্ৰুগড়ৰ টিংখাঙত তিনিখন সভাত অংশ লৈ লুৰীণজ্যোতি গগৈৰ হৈ প্ৰচাৰ চলাই অখিল গগৈয়ে। লুৰীণজ্যোতি আৰু গৌৰৱ গগৈক জয়ী কৰিবলৈ সমস্ত শক্তি প্ৰয়োগ কৰিছে৷ বুলি দাবী কৰিছে অখিল গগৈয়ে। টিংখাঙৰ ধমনকচলু, নাচনী বামুণপুখুৰী আৰু ন-খাটৰ ঠেঙালত লুৰীণজ্যোতি গগৈৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই অখিলে। ইয়াৰে ধমণৰ কচলুত অনুষ্ঠিত সভাখনত অখিল গগৈয়ে বিজেপি প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালক সমালোচনা কৰি সোণোৱালৰ কেৱল ইনকামিংহে আছে, আউটগয়িং নাই বুলি কটাক্ষ কৰি লুৰীণজ্যোতি গগৈক ভোট দিবলৈ আহ্বান জনায়। আনহাতে লুৰীণজ্যোতি গগৈয়ে সভাত ভাষণ দি তেওঁৰ বাবে ৰাজনীতি জীৱন আৰু জীৱিকা নহয়, অসমীয়া জাতিৰ সুৰক্ষাৰ বাবেহে ৰাজনীতি কৰিছে৷ বুলি উল্লেখ কৰে। আছুৰ প্ৰাক্তন সভাপতি সৰ্বানন্দ সোণোৱালক আক্ৰমণ কৰি আছুৰ প্ৰাক্তন সাধাৰণ সম্পাদক লুৰীণজ্যোতি গগৈয়ে কয় ‘একেগৰাকী মাতৃৰ সন্তান হৈ জ্যেষ্ঠজনৰ বিৰুদ্ধে কনিষ্ঠজনৰ ধৰ্মৰ যুদ্ধ। দেশৰ প্ৰধানমন্ত্ৰী আহিয়ো মোক পৰাজিত কৰিব নোৱাৰে৷’

প্ৰথম পৃষ্ঠাৰ পৰা...

# যোগদানৰ এঘণ্টা পিছতে

সমৰ্ষ্টিত প্ৰাৰ্থিত্ব দিছে জিন্দালক। কংগ্ৰেছৰ প্ৰাক্তন সাংসদ নবীন জিন্দলে কয় যে আজি মোৰ জীৱনৰ এটা অতি গুৰুত্বপূৰ্ণ দিন। মই গৌৰৱান্বিত যে মই আজি বিজেপিত যোগদান কৰি প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত দেশৰ সেৱা কৰিবলৈ সক্ষম হ'ম। মই বিজেপিত অৱদান দিব বিচাৰো। আনহাতে বৰুণ গান্ধীৰ টিকট কৰ্তন কৰিছে বিজেপিয়ে। বৰুণ গান্ধীৰ ঠাইত উত্তৰ প্ৰদেশৰ মন্ত্ৰী জীতেন প্ৰসাদক টিকট প্ৰদান কৰিছে বিজেপিয়ে। পিলিভিটৰ সাংসদ বৰুণ গান্ধীয়ে বিভিন্ন সময়ত বিজেপিৰ নীতিক সমালোচনা কৰি আহিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকো টাৰ্গেট কৰি লোৱা দেখা গৈছিল বৰুণক। কিন্তু বৰুণ গান্ধীৰ মাতৃ মানেকা গান্ধীক পুনৰ চুলতানপুৰৰ সমৰ্ষ্টিত প্ৰাৰ্থী কৰিছে বিজেপিয়ে। ভাৰতীয় জনতা পাৰ্টীয়ে আজি ঘোষণা কৰা পঞ্চমখন প্ৰাৰ্থী তালিকাত চলচ্চিত্ৰ আৰু দূৰদৰ্শনৰ সৈতে জড়িত বহু চেলিব্ৰিটিক টিকট দিয়া দেখা গৈছে। আন দল ত্যাগ কৰি বিজেপিত যোগদান কৰা নেতাকো টিকট প্ৰদান কৰিছে দলটোৱে। বিজেপিৰ সমৰ্থক কংগনা ৰাণাৱতক হিমাচলৰ মাণ্ডি সমৰ্ষ্টিত প্ৰাৰ্থীত্ব প্ৰদান কৰা হৈছে। দেখা গৈছিল যে বিগত সময়ছোৱাত সততে কংগনাই বিজেপিক সমৰ্থন কৰি আহিছিল। দূৰদৰ্শনৰ চিনাকি মুখ অৰুণ গোভিলক হিমাচল প্ৰদেশৰ মিৰাটৰ প্ৰাৰ্থী কৰা হৈছে। গাজিয়াবাদৰ পৰা কেন্দ্ৰীয় মন্ত্ৰী জেনেৰেল ভি কে সিঙৰ টিকট কৰ্তন কৰা হৈছে। অতুল গাৰ্গক তেওঁৰ ঠাইত প্ৰাৰ্থী কৰা হৈছে। বিজেপিৰ পঞ্চম তালিকাত মুঠ ১১১ টা নাম আছে। যাৰ ভিতৰত আছে উত্তৰ প্ৰদেশৰ ১৩ জন প্ৰাৰ্থী। এতিয়ালৈ উত্তৰ প্ৰদেশৰ মুঠ ৬৪ টা সমৰ্ষ্টিত প্ৰাৰ্থী ঘোষণা কৰিছে বিজেপিয়ে। সহযোগীক বিজেপিয়ে আসন এৰি দি নিজেই ৭৫ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰিব। উত্তৰ প্ৰদেশত ৮০ খন লোকসভাৰ আসন আছে। এটা আপত্তিজনক ভিডিঅ' ভাইৰেল হোৱাৰ পাছত বাৰাবাঁকীৰ বৰ্তমানৰ সাংসদ উপেন্দ্ৰ সিং ৰাৱাটে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ অস্বীকাৰ কৰিছে। উপেন্দ্ৰ সিং ৰাৱাটৰ ঠাইত ৰাজৰাণী ৰাৱটক বিজেপিয়ে নতুনকৈ প্ৰাৰ্থী ঘোষণা কৰিছে। ইফালে, বিজেপিৰ পৰা সমাজবাদী পাৰ্টী আৰু সমাজবাদী পাৰ্টী ত্যাগ কৰি নিজ দল গঠন কৰা স্বামী প্ৰসাদ মৌৰ্যৰ কন্যা সংঘমিত্ৰা মৌৰ্যৰ টিকট কৰ্তন কৰিছে বিজেপিয়ে। সংঘমিত্ৰা মৌৰ্য উত্তৰ প্ৰদেশৰ বদাউন সমৰ্ষ্টিৰ সাংসদ আছিল। বদাউনত দুৰ্বিজয় সিঙক টিকট প্ৰদান কৰা হৈছে। হাথৰছত অনুপ বাল্মিকীক টিকট দিছে বিজেপিয়ে। বৰ্তমানৰ সাংসদ ৰাজবীৰ সিঙৰ টিকট কৰ্তন কৰা হৈছে। ৰায়বেৰেলীত সন্তোষ গাংৱাৰৰ ঠাইত ছত্ৰপাল গংৱাৰক টিকট দিছে বিজেপিয়ে। পশ্চিমবংগতো বিজেপিয়ে জনপ্ৰিয় চেহেৰাক স্থান দিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# জেএনইউত আকৌ বাওপন্থীৰ

**নতুন দিল্লী, ২৪ মাৰ্চঃ** জৱহাৰলাল নেহৰু বিশ্ববিদ্যালয়, চমুকৈ জেএনইউ মানেই যেন লাল চালাম। দেওবাৰে নিশা পুনৰ সেই কথাই প্ৰমাণিত হোৱা দেখা গ'ল জেএনইউ চৌহদত। চাৰি বছৰৰ পাছত অনুষ্ঠিত হোৱা বিশ্ববিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত অধিকাংশ পদতে বিপুল ভোটত জয়লাভ কৰিবলৈ সমৰ্থ হৈছে বাঁওপন্থী ছাত্ৰ সংগঠনৰ প্ৰাৰ্থীয়ে। সভাপতি হিচাপে নিৰ্বাচিত হৈছে এআইএছএৰ মনোনীত প্ৰাৰ্থী ধনঞ্জয়। ধনঞ্জয় বিহাৰৰ গয়াৰ দলিত সম্প্ৰদায়ৰ এজন গৱেষক ছাত্ৰ। উপ-সভাপতি পদত জয়ী হৈছে এছএফআইৰ অভিজিত ঘোষ আৰু যুটীয়া সম্পাদক পদত জয়ী হৈছে এআইএছএফৰ প্ৰাৰ্থী মহম্মদ ছাজিদ। আনহাতে সাধাৰণ সম্পাদক পদত জয়ী হৈছে বাওপন্থী ছাত্ৰ সংগঠন সমৰ্থিত বীৰছা আম্বেদকাৰ ফুলে ষ্টুডেণ্টছ এছ'চিয়েশ্যন চমুকৈ বিএপিএছএৰ প্ৰাৰ্থী প্ৰিয়াংশী আৰ্য। শুকুৰবাৰে হোৱা এই নিৰ্বাচনত ভোটদানৰ হাৰ আছিল ৭৩ শতাংশৰো অধিক। এয়া আছিল বিশ্ববিদ্যালয়খনত বিগত ১২ বছৰৰ ভিতৰত সৰ্বাধিক ভোটদান। দেওবাৰে নিশা ফলাফল ঘোষণা হোৱাৰ পিছতে লাল চালাম, জয় ভীম শ্ল'গানেৰে মুখৰিত হৈ পৰে বিশ্ববিদ্যালয়খনৰ আকাশ-বতাহ। উল্লেখ্য যে ২০১৪ চনত বিজেপি শাসনলৈ আহিয়ে বিশ্ববিদ্যালয়খনক বাওঁপন্থীৰ ঘাটি বুলি সমালোচনা কৰাৰ লগতে একপ্ৰকাৰ শিক্ষানুষ্ঠানখন দেশদ্ৰোহীৰ ঘাটি হৈ পৰিছিল বুলিও দাবী কৰিছিল। ইয়াৰ পিছতে বিতৰ্কিত শ্ল'গান দিয়াক লৈ বিতৰ্কৰ আৱৰ্তত সোমাই পৰিছিল বিশ্ববিদ্যালয়খন। এই ঘটনাত তেতিয়াৰ ছাত্ৰ একতা সভাৰ সভাপতি কানহায়া কুমাৰৰ লগতে ভালেকেইগৰাকী বাওপন্থী ছাত্ৰ সংগঠনৰ নেতাক জেললৈকো প্ৰেৰণ কৰা হৈছিল। উক্ত ঘটনাক কেন্দ্ৰ কৰিয়েই পৰৱৰ্তী সময়ত কানহায়া কুমাৰে ছাত্ৰ ৰাজনীতিৰ পৰা সমগ্ৰ দেশতে জনপ্ৰিয় নেতা হৈ পৰে। সেই তেতিয়াৰে পৰা বিশ্ববিদ্যালয়খনৰ ছাত্ৰ একতা সভাক বিজেপিৰ ছাত্ৰ সংগঠন এবিভিপিৰ দখললৈ নিবলৈ একাধিকবাৰ চেষ্টা চলাই অহা হৈছে যদিও সেয়া এইবাৰো সম্ভৱ হৈ উঠা দেখা নগ'ল।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক ।

## মুখ্যমন্ত্ৰীয়েও ভালকৈ প্ৰত্যুত্তৰ নিদিয়াৰ অভিযোগ ভিন্নজনৰ

# কলাগুৰুক অপমান আজমল বাহিনীৰ, ক্ষুব্ধ বিধায়ক পুত্ৰ পৃথ্বীৰাজ

**ই-সংবাদ, ২৪ মাৰ্চঃ** এটা ধৰ্ম বিশেষক লৈ অসমত ৰাজনীতি কৰি অহা আগৰ ব্যৱসায়ী বদৰুদ্দিন আজমলৰ দল ইউডিএফৰ নেতাসকলৰ মূৰত আছে অদৃশ্য শক্তিৰ হাত। বিৰোধীত থাকিও মহা শক্তিধৰ ইউডিএফৰ নেতাই ক্ষমতাৰ বলত বলীয়ান। যেতিয়াই যি ইচ্ছা তাকেই ক'ব পাৰে ইউডিএফৰ নেতাসকলে। খিলঞ্জীয়া জাতি-জনগোষ্ঠী, হিন্দু নাৰীক লৈ অভব্য কথা ক'ব পাৰে। কিন্তু ইউডিএফ নেতাৰ নোম এডালো লৰাব নোৱাৰে চৰকাৰে। তেওঁলোক ইমানেই প্ৰভাৱশালী যে অসম আৰক্ষীয়ে একোডাল কৰিব নোৱাৰে। যাৰ ফলত আইনী গণ্ডিৰ পৰা মুক্ত ইউডিএফৰ নেতাসকল পুনৰবাৰ জাতিটোৰ কলাগুৰুক অপমান কৰিবলৈ সাহস কৰিলে। সাধাৰণ কবিতা এটা লিখা খিলঞ্জীয়া কন্যাক জেলত বন্দী কৰা হয়। পৰীক্ষা জেলৰ পৰাই দিবলগীয়া হয়। কিন্তু ইউডিএফৰ নেতাক চৰকাৰে স্বাধীনতা দি থোৱাৰ ফলতে কলাগুৰুক বাংলাদেশী মূলৰ বুলি ক'বলৈ সাহস কৰিলে ইউডিএফৰ নেতা আমিনুল ইছলামে। ধিঙৰ বিধায়ক তথা নগাঁও লোকসভা সমষ্টিৰ ইউডিএফৰ প্ৰাৰ্থী আমিনুল ইছলামৰ খিলঞ্জীয়াৰ সংজ্ঞাক লৈ মন্তব্য কৰিবলৈ গৈ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাক টানি আনে। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাক বাংলাদেশী মূলৰ লোক আখ্যা দিয়ে। বহু বিতৰ্কিত আমিনুল ইছলামে বিষ্ণুপ্ৰসাদ ৰাভাক ঢাকাত জন্ম হোৱা বুলি কৈ কয় যে ঢাকত জন্ম হোৱা বিষ্ণুৰাভা খিলঞ্জীয়া হ'লে, বাংলাদেশী মূলৰ লোক অসমত কিয় খিলঞ্জীয়া নহ'ব বুলি প্ৰশ্ন কৰে। আমিনুল ইছলামৰ মন্তব্যক লৈ ৰাজ্যৰ শাসক-বিৰোধী তথা সংগঠনেসমূহে যেনেদৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব লাগিছিল তেনেদৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰা পৰিলক্ষিত হোৱা নাই। আনকি আছু, অসম সাহিত্য সভা আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ দৰে সংগঠনে একো কোৱা পৰিলক্ষিত হোৱা নাই। বিজেপিৰ নেতা তথা সমৰ্থকসকলে যেনেদৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব লাগিছিল তেনেদৰে প্ৰকাশ কৰা নাই। পূৰ্বে ইউডিএফৰ নেতাক কুকুৰে কাইট নোখোৱাকৈ গালি পাৰিছিল বিজেপিৰ নেতা-কৰ্মীয়ে। কিন্তু এতিয়া পৰিৱেশ সুকীয়া হৈছে। ইউডিএফ শক্তিশালী হৈ নথাকিলে বিজেপি যেন শক্তিহীন হৈ পৰিব। ইউডিএফৰ ভয় দেখুৱাই বিজেপিয়ে ৰাজনীতি কৰি আহিছে। কংগ্ৰেছসহ আন দলক নিঃশেষ কৰি হ'লেও ইউডিএফক জীয়াই ৰখাৰ প্ৰয়াস কৰা হৈছে। আমিনুল ইছলামৰ বিতৰ্কিত মন্তব্যক লৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সুৰ দুৰ্বল কৰি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে কৈছে যে মিঞাসকলে খিলঞ্জীয়া হ'বলৈ চেষ্টা কৰাত আপত্তি নাই। কিন্তু খিলঞ্জীয়া হ'বলৈ খিলঞ্জীয়াৰ সংস্কৃতি ৰক্ষা কৰিব লাগিব। সত্ৰৰ মাটি দখল কৰাসকল কেনেকৈ খিলঞ্জীয়া হ'ব? পমুৱা মুছলমানসকল দুই-তিনিটা বিয়া কৰোৱা, দুই-তিনিটা ল'ৰা-ছোৱালী জন্ম দিয়া, বাল্য বিবাহ আদি এৰিব লাগিব। বিজেপিৰ সভাপতি ভবেশ কলিতাই আমিনুল ইছলামৰ মন্তব্যক উভতি ধৰি খিলঞ্জীয়া হ'বলৈ অসমৰ কৃষ্টি-সংস্কৃতি ভালদৰে জানি, অসমৰ বাই-ভনীসকলক লৈ কু অভিপ্ৰায় ৰাখিব নালাগিব বুলি কয়। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ বিধায়ক পুত্ৰ পৃথ্বীৰাজ ৰাভাই পিতৃৰ পিতৃয়ে তেজপুৰৰ পৰা ঢাকালৈ চাকৰি কৰিবলৈহে গৈছিল বুলি কয়। সেই সূত্ৰেই ঢাকাত বিষ্ণুপ্ৰসাদ ৰাভাৰ জন্ম হৈছিল আৰু প্ৰাথমিক শিক্ষা গ্ৰহণ কৰিছিল। বিষ্ণুপ্ৰসাদ ৰাভা হাঁড়ে হিমজুৰে অসমীয়া বুলিও কয় পৃথ্বীৰাজ ৰাভাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আজমলক ধুবুৰী এৰি

সাক্ষাৎ কৰে৷ বৰপেটা সমষ্টিৰ অগপৰ প্ৰাৰ্থী ফণীভূষণ চৌধুৰীৰ লগতে কোকৰাঝাৰৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীক সাক্ষাৎ কৰে৷ দুয়োগৰাকী প্ৰাৰ্থীৰ জয়ী নিশ্চিত কৰিবলৈ বিজেপি, অগপ আৰু ইউপিপিএলৰ নেতা-কৰ্মীক দেহে-কেহে কাম কৰি জয়ী কৰিবলৈ আহ্বান জনায়৷ কিন্তু মুখ্যমন্ত্ৰীগৰাকীয়ে ধুবুৰী সমষ্টিলৈ নগ'ল৷ ধুবুৰী সমষ্টিও অগপ দলক এৰি দিছে বিজেপিয়ে৷ কিন্তু বিৰোধীক এৰি দিয়া তিনিটা সমষ্টিৰ ভিতৰত দুটা সমষ্টিলৈ মুখ্যমন্ত্ৰী গ'ল যদিও ধুবুৰী সমষ্টি ভ্ৰমণ নকৰিলে৷ কিয়নো পূৰ্বৰে পৰা মুখ্যমন্ত্ৰীয়ে মিঞাৰ ভোট নালাগে বুলি কৈ আহিছে৷ মিঞাৰ ভোট নালাগে বুলি কোৱা মুখ্যমন্ত্ৰীয়ে ধুবুৰী সমষ্টি এৰি দিছে অগপক৷ ধুবুৰী সমষ্টিলৈ নোযোৱা মুখ্যমন্ত্ৰীয়ে ধুবুৰীত বদৰুদ্দিন আজমলৰ সন্মুখত আত্মসমৰ্পণ কৰি পৰাজয় স্বীকাৰ কৰিলে নেকি? তাকে লৈ চৰ্চা হ'বলৈ আৰম্ভ কৰিছে৷ উল্লেখ্য যে, মুখ্যমন্ত্ৰী ডও হিমন্ত বিশ্ব শৰ্মাই হেলিকপ্তাৰ যোগে ঢালিগাঁৱত উপস্থিত হয়৷ তাৰ পাছতে মুখ্যমন্ত্ৰীৰ উপস্থিতিত চিৰাং জিলাৰ ঢালিগাঁৱস্থিত বঙাইগাঁও শোধনাগাৰৰ প্ৰেক্ষাগৃহত বিশেষ বৈঠক অনুষ্ঠিত হয়৷ কোকৰাঝাৰ আৰু বৰপেটা সমষ্টিৰ এনডিএৰ প্ৰাৰ্থীৰ জয় নিশ্চিত কৰিবলৈ ঢালিগাঁৱত বিজেপি, অগপ আৰু ইউপিপিএল দলৰ নেতা-কৰ্মীৰে দুখনকৈ বৈঠকত অংশগ্ৰহণ কৰে৷ মুখ্য মন্ত্ৰী ডও হিমন্ত বিশ্ব শৰ্মাই প্ৰথমে কোকৰাঝাৰ লোকসভা সমষ্টিৰ অন্তৰ্গত বিজেপিৰ জিলা, মণ্ডল, বিভিন্ন মৰ্চাসমূহৰ সভাপতি-সম্পাদকসকলৰ সৈতে বৈঠক কৰে৷ তাৰ পাছতে বিজেপি, অগপ আৰু ইউপিপিএলৰ নেতা-কৰ্মীৰে বৈঠক অনুষ্ঠিত কৰে৷ মুখ্যমন্ত্ৰীয়ে তিনিওটা দলৰ কৰ্মীসকলক সমাগত লোকসভা নিৰ্বাচনৰ বাবে সাজু হ'বলৈ আহ্বান জনোৱাৰ লগতে সৰ্বাধিক ভোটত কোকৰাঝাৰ লোকসভা সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীক জয়ী কৰিবলৈ আহ্বান জনায়৷ এই বৈঠকত অগপৰ কোকৰাঝাৰ আৰু বিজনী জিলা সমিতিৰ নেতৃত্বই অংশ গ্ৰহণ কৰে৷ বৈঠকত মিত্ৰজোঁটৰ তিনিটা দলকে বিপুল ভোটত কোকৰাঝাৰ লোকসভা সমষ্টিৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীক জয়ী কৰিবলৈ কৰিবলৈ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে৷ মুখ্যমন্ত্ৰী ডও হিমন্ত বিশ্ব শৰ্মাই বৈঠকৰ অন্তত বৰপেটা সমষ্টিৰ অগপৰ প্ৰাৰ্থী ফণীভূষণ চৌধুৰীৰ ঘৰলৈ যায়৷ বিধায়ক ফণীভূষণ চৌধুৰীৰ ঘৰত বিভিন্ন ব্যঞ্জনেৰে দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰে মুখ্যমন্ত্ৰী ডও শৰ্মাই৷ সেই সময়ত ফণীভূষণ চৌধুৰীৰ ঘৰত সমবেত হোৱা অগপৰ নেতাসকলৰ সৈতে আলোচনাত মিলিত হৈ মুখ্যমন্ত্ৰীগৰাকীয়ে জয়ৰ মন্ত্ৰণা দিয়ে৷ বৈঠকত ইউপিপিএল দলৰ সভাপতি প্ৰমোদ বড়ো, মন্ত্ৰীৰণজিৎ দাস, অশোক সিংঘল, ইউ.জি ব্ৰহ্ম, সাংসদ ৰাণগৌৰা নাৰ্জাৰী, বিধায়ক অজয় কুমাৰ ৰায়, উপস্থিত থাকে৷

# মৰিগাঁৱত নিউজিলেণ্ডৰ উচ্চস্তৰীয় প্ৰতিনিধি দলৰ কৃষি ক্ষেত্ৰ পৰিদৰ্শন



**ই-সংবাদ, মৰিগাঁও, ২৪ মাৰ্চঃ** নিউজিলেণ্ডৰ উচ্চস্তৰীয় প্ৰতিনিধিৰ দলে আজি মৰিগাঁও জিলাৰ কৃষি ক্ষেত্ৰ পৰিদৰ্শন কৰে। নিউজিলেণ্ডৰ পৰা হেমিশ মাৰৰ নেতৃত্বৰ ৪ জনীয়া প্ৰতিনিধিৰ দলটোৱে ঝাৰগাঁওস্থিত কৃষি বিজ্ঞান কেন্দ্ৰৰ প্ৰেক্ষাগৃহত অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ বিদ্যুৎ চন্দন ডেকাৰ উপস্থিতিত মৰিগাঁও জিলা কৃষি বিভাগৰ বিষয়া, কৃষি বিজ্ঞান কেন্দ্ৰৰ বিষয়-ববীয়া আৰু আই.আৰ.আৰ.আইৰ বিশেষজ্ঞসকলৰ সৈতে এক মত-বিনিময় অনুষ্ঠানত মিলিত হয়। অসম চৰকাৰৰ কৃষি বিভাগৰ সঞ্চালক ভাস্কৰ পেগু আৰু এপাৰ্টৰ প্ৰকল্প সঞ্চালক বীৰেন্দ্ৰ মিট্ৰালৰ উপস্থিতিত অনুষ্ঠিত মত-বিনিময় অনুষ্ঠানত অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্যগৰাকীয়ে প্ৰথমেই অসমৰ কৃষি খণ্ডত কৃষি বিজ্ঞান কেন্দ্ৰৰ গুৰুত্বপূৰ্ণ ভূমিকা সম্পৰ্কে অৱগত কৰে। বিশেষকৈ অসমৰ কৃষি ব্যৱস্থা আৰু জলবায়ু, গুণগত মানদণ্ডৰ বীজ উৎপাদন, কৃষকৰ আয় আৰু উৎপাদন বৃদ্ধি, বজাৰ সংযোজন, আধুনিক কৃষি ব্যৱস্থা আৰু আধুনিক কৃষি যন্ত্ৰৰ ব্যৱহাৰ আদি বিভিন্ন বিষয়ত বিশদভাৱে আলোকপাত কৰে। মৰিগাঁও জিলা কৃষি বিভাগৰ অধীনৰ পোহৰ ফাৰ্মাচ কোম্পানীৰ বিষয়-ববীয়াসকলে গুণগত বীজ উৎপাদন, প্ৰয়োজনীয়তা আৰু উপকাৰ, কৃষকসকলে বীজ উৎপাদনৰ জৰিয়তে কেনেদৰে উপকৃত হৈছে সকলো বিষয়ে উপস্থাপন কৰে। প্ৰতিনিধিৰ দলটোক আধুনিক কৃষি যন্ত্ৰ, কৃষি যন্ত্ৰৰ দ্বাৰা ধান, মাকৈৰ বীজ ৰোপন প্ৰক্ৰিয়া, বীজ উৎপাদন প্ৰক্ৰিয়া আদি বিষয়ত কৃষি বিজ্ঞান কেন্দ্ৰৰ দ্বাৰা কাৰিকৰী প্ৰদৰ্শন কৰা হয়। মৰিগাঁও ভ্ৰমণৰ সময়ত নিউজিলেণ্ডৰ প্ৰতিনিধি দলটোক অসম বিশ্ব বিদ্যালয়ৰ শিক্ষা সম্প্ৰসাৰণ সঞ্চালক ড০ মনোৰঞ্জন নেওঁগ, কৃষি সচিব তেজপ্ৰসাদ ভূষাল, কৃষি সঞ্চালকালয়ৰ শীৰ্ষ বিষয়াসকল, জিলা কৃষি বিষয়া অশোক কুমাৰ শৰ্মা, সহকাৰী কৃষি সঞ্চালক তপন কুমাৰ ব্ৰহ্ম, মহকুমা কৃষি বিষয়া মেহেদী আৰিফ হুছেইন, কৃষি পৰিদৰ্শক দিব্যজ্যোতি হাজৰিকা, অৰুণ ৰাজা, মিডিয়া বিশেষজ্ঞ গৌতম কুমাৰ নাথসহ আন্তঃৰাষ্ট্ৰীয় ধান গৱেষণা কেন্দ্ৰৰ বিশেষজ্ঞসকলৰ লগতে মৰিগাঁও কৃষি বিজ্ঞান কেন্দ্ৰৰ বিষয়া-কৰ্মচাৰীসকলে সংগ দিয়ে।

# পঞ্চভূতত বিলীন সত্ৰাধিকাৰ দেৱানন্দ দেৱগোস্বামী

## বটদ্ৰৱাৰ লগতে ৰাজ্যজুৰি শোকৰ লহৰ

**ই-সংবাদ, ২৪মাৰ্চঃ** পাঁচটা দশকৰ বিৰল কৰ্মৰাজী এৰি অনন্ত-পথলৈ গমন কৰিলে বটদ্ৰৱা নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ দেৱানন্দ দেৱগোস্বামী। কালি নিশা নগাঁও চহৰৰ এখন ব্যক্তিগত হাস্পতালত চিকিৎসাধীন অৱস্থাত মহাপ্ৰয়ান ঘটা দেৱানন্দ দেৱগোস্বামীৰ নশ্বৰ দেহ নিশাই ঘৰলৈ অনা হয়। পাছত কেইবা হাজাৰ লোকৰ উপস্থিতিত পঞ্চভূতত বিলীন হ'ল সত্ৰীয়া সংস্কৃতিৰ সাধক, সত্ৰাধিকাৰ দেৱানন্দ দেৱগোস্বামী। নশ্বৰদেহ লৈ সত্ৰীয়া পৰম্পৰাৰে কেইবা শ ভকত-বৈষ্ণৱে শেষ যাত্ৰা আৰম্ভ কৰে। নিশাই নশ্বৰদেহ বটদ্ৰৱাৰ ঐতিহাসিক আকাশীগংগাৰ তীৰলৈ নিয়া হয়। আকাশীগংগাৰ তীৰত নশ্বহদেহ ৰাখি সত্ৰীয়া পৰম্পৰাৰে শেষকৃত্য সম্পন্ন কৰা হয়। শেষকৃত্যৰ সময়ত প্ৰশাসন, জাতি, ধৰ্ম নিৰ্বিশেষে স্থানীয় বিশিষ্ট লোক উপস্থিত থাকে। ইহ-সংসাৰত পত্নী, দুজন পুত্ৰ আত্মীয় স্বজনক এৰি থৈ যায়। দৌল উৎসৱৰ সময়তে সত্ৰাধিকাৰ দেৱানন্দ দেৱগোস্বামীৰ বৈকুণ্ঠপ্ৰয়াণৰ খবৰে ৰাজ্যবাসীক শোকাহত কৰিছিল।নিশাৰে পৰা দেৱানন্দ দেৱগোস্বামীৰ ঘৰ গুণমুগ্ধৰে ভৰি পৰিছিল। নিশাৰে পৰা বিভিন্ন দল-সংগঠনে বয়োজ্যেষ্ঠ সত্ৰাধিকাৰগৰাকীক শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। পবিত্ৰ তীৰ্থস্থান বৰদোৱাক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ শৈশৱ, কৈশোৰ আৰু কৰ্মজীৱনৰ স্থলী হিচাপে জনা যায়। শ্ৰীমন্ত শংকৰদেৱৰ কৰ্মজীৱনৰ স্থলীৰ সেৱাত সমগ্ৰ জীৱন উচৰ্গা কৰি দিয়ে। বটদ্ৰৱা থানক বিশ্বত চিনাকী কৰি দিয়াৰ ক্ষেত্ৰত তেখেতৰ আছিল বিশেষ ভূমিকা। সত্ৰীয়া সংস্কৃতিৰ সাধনা কৰাৰ লগতে অভিনেতা হিচাপেও খ্যাতি অৰ্জন কৰিছিল দেৱগোস্বামীয়ে। গায়ন, বায়ন ৰূপে চিৰ পৰিচিত সত্ৰীয়া সংস্কৃতিৰ নায়ক আছিল। জানিব পৰা মতে, শনিবাৰে সন্ধিয়া হঠাৎ বুকুৰ বিষ অনুভৱ কৰাত পৰিয়ালে নগাঁৰৰ জীতেন গোহাঁই নাৰ্চিং হোমত ভৰ্তি কৰাইছিল। নিশাই ৭২ বছৰ বয়সত আকস্মিক মৃত্যুক আকোৱালি লয়।




আমবাৰীত মুখ্যমন্ত্ৰী, অগপ নেতৃত্বৰ বিপুল আদৰণি, দেওবাৰে

# গোৰেশ্বৰত দৰং-ওদালগুৰি সমষ্টি ভিত্তিত বিপিএফৰ বৈঠক

**ই-সংবাদ, ২৪মাৰ্চঃ** ভোটগ্ৰহণৰ দিন চমু চাপি অহাত বিপিএফ দলৰ প্ৰাৰ্থী দুৰ্গাদাস বড়োৰ সমৰ্থনত দলটোৱে সমষ্টিৰ বিভিন্ন ঠাইত ব্যাপক নিৰ্বাচনী কুচকাৱাজ আৰম্ভ কৰিছে। আজি গোৰেশ্বৰত বিপিএফ দলৰ বিশেষ সভা অনুষ্ঠিত হয়। নিৰ্বাচনী পৰিচালনা সমিতি গঠনৰ হকে অনুষ্ঠিত বৈঠকত কেইবাগৰাকী কেন্দ্ৰীয় নেতা উপস্থিত থাকে। গোৰেশ্বৰ ব্লক বিপিএফৰ কাৰ্যালয়ত অনুষ্ঠিত সভাত বি.টি.চিৰ প্ৰাক্তন কাৰ্যবাহী মহেশ্বৰ বসুমতাৰী উপস্থিত থাকে। দৰং-ওদালগুৰি লোকসভা সমষ্টিত বিপিএফৰ নিৰ্বাচনী প্ৰচাৰ অভিযান তীব্ৰ গতিত চলি আছে আৰু নিৰ্বাচনকলৈ দ'লৰ বুথসমূহ শক্তিশালী কৰাত গুৰুত্ব দিয়া বুলি মন্তব্য কৰে মহেশ্বৰ বসুমতাৰীয়ে। মহেশ্বৰ বসুমতাৰীয়ে সাংসদ দিলীপ শইকীয়াক আক্ৰমণ কৰি এইবাৰ নিৰ্বাচনত ৰাইজে দিলীপ শইকীয়াৰ বিকল্প বিচাৰিছে বুলি উল্লেখ কৰে। কাৰণ দিলীপ শইকীয়া এজন অপৰিপক্ক ৰাজনৈতিক। সমষ্টি উন্নয়নত দিলীপ শইকীয়া সম্পূৰ্ণ ব্যৰ্থ হৈছে। গতিকে সমষ্টিৰ ৰাইজে দুৰ্গাদাস বড়োক ভোট দিব। সভাত বিপিএফৰ কেন্দ্ৰীয় কমিটিৰ সম্পাদক ধৰণীধৰ বড়ো, যুৱ বিপিএফৰ সাধৰণ সম্পাদক শৰৎ চন্দ্ৰ দাসকে ধৰি কেবাগৰাকীও কেন্দ্ৰীয়, জিলা আৰু ব্লক পৰ্য্যায়ৰ বিষয়-ববীয়া তথা বিভিন্ন কোষৰ কৰ্মী উপস্থিত থাকে।

## কংগ্ৰেছৰ শাসন অপশাসন আছিলঃ মন্ত্ৰী পীযুষ হাজৰিকা

# মাজুলীত তপন গগৈৰ হৈ নিৰ্বাচনী প্ৰচাৰ মন্ত্ৰী পীযুষ হাজৰিকাৰ





**পৰাণজ্যোতি বৰা, মাজুলী, ২৪ মাৰ্চঃ** আমি মিছাকথা কোৱা মানুহ বিলাকক ভোট দিলে নাচলিব। যি বিলাকে অসমৰ কাম নকৰিলে, অসমত কেৱল সূতা-কম্বল দিলে অসমৰ ৰাস্তাৰ কাম নকৰিলে। মাজুলীত বানপানী হ'বই আৰু কলগছ খেতি কৰিব লাগে বুলি কোৱা মানুহক আপোনালোকে ভোট দিলে মাজুলী আৰু পিছুৱাব। এই মাজুলীক আৰু আমি পিছুৱাব নিদিও এয়া আমাৰ প্ৰতিজ্ঞা, এয়া আমাৰ প্ৰতিশ্ৰুতি। আজি উজনি মাজুলীৰ মায়াবজাৰত যোৰহাট লোকসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই মন্ত্ৰী পীযুষ হাজৰিকাই এনেদৰে কয়। প্ৰাৰ্থী তপন কুমাৰ গগৈক লগত লৈ পীযুষ হাজৰিকাই মই বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী হৈ যোৱা আঢ়ৈটা বৰ্ষত মাজুলীক বান নিয়ন্ত্ৰণ, মথাউৰি নিৰ্মাণ, টুনিনদী পৰিষ্কাৰৰ বাবে ১০৪ কোটি টকা দিছো বুলি দাবী কৰে। মন্ত্ৰী পীযুষ হাজৰিকাই কয় অহা দুবছৰৰ ভিতৰত মাজুলীৰ খহনীয়া ৰোধৰ বাবেআৰু ১০০ কোটি টকা দিম। এইটো আজি মাজুলীৰ ৰাইজক প্ৰতিশ্ৰুতি দিছো। কংগ্ৰেছে ইমান পইচা মাজুলীৰ বাবে দিছে নে কি বুলিও সভাত প্ৰশ্ন কৰে। কংগ্ৰেছক সমালোচনা কৰি তেওঁ কয় যে কংগ্ৰেছে ৬০ বছৰ শাসন কৰিলে। মাত্ৰ ৭খন বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰে। আমি আঠ বছৰত ১৫খনবিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠা কৰিলো। কংগ্ৰেছৰ দিনত বিদ্যালয়-বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰিলে লৰা ছোৱালীয়ে পঢ়িব শিক্ষিতহ'ব, কংগ্ৰেছক ভোট নিদিব। সেই কাৰণে বিদ্যালয় বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠা কৰা নাছিল বুলি কংগেছক মন্ত্ৰীগৰাকীয়ে কটাক্ষ কৰে। হাজৰিকাই কয় যে স্বাস্থ্য ভালে ৰখাটো আমাৰ বাবে গুৰুত্ব। আমি স্বাস্থ্য খণ্ডৰ উন্নয়নৰ বাবে আমি চিকিৎসালয়ৰ সংখ্যা বঢ়াব লাগিব। চিকিৎসা মহাবিদ্যালয়ৰ সংখ্য বঢ়াব লাগিব। কংগ্ৰেছে দেশখন ৬০ বছৰ চলালে এই ৬০ বছৰত অসমত মাত্ৰ ৬ খন চিকিৎসা মহাবিদ্যালয় বনালে আৰু আমি ৮ বছৰত ১৮খন চিকিৎসা মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিলো। কংগ্ৰেছতকে তিনিগুণ বেছি চিকিৎসা মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিলো। চিকিৎসা খণ্ডৰ সম্পৰ্কত মন্ত্ৰীগৰাকীয়ে আৰু কয় যে দুখৰ বিষয় কংগ্ৰেছে ৬০ বছৰত এইছমছ নিৰ্মাণ কৰিলে ৮খন। কিন্তু নৰেন্দ্ৰ মোদীয়ে ১০ বছৰত এইমছ বনালে ১৫ খন। এই বিলাক হৈছে কংগেছ আৰু বিজেপি চৰকাৰৰ পাৰ্থক্য। জিলাই জিলাই চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ কাম চলি আছে। কংগ্ৰেছৰ ৬০ বছৰ শাসনকালত দেশত ৩৮৭ খন চিকিৎসা মহাবিদ্যালয় বনালে আৰু আমাৰ নৰেন্দ্ৰ মোদীয়ে ১০ বছৰত ৩০৬ খন দেশত চিকিৎসা মহাবিদ্যালয় বনালে। কংগ্ৰেছতকে এশ শতাংশ বেছি চিকিৎসা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কৰিলে। এনেকৈয়ে মানুহক শাসন কৰিবলৈ ভাৰতীয় জনতা পাৰ্টি প্ৰতিশ্ৰুতি বদ্ধ হৈছিল বুলি উল্লেখ কৰে। নৰেন্দ্ৰ মোদীয়ে কৃষকসকলক কৃষক সন্মান নিধিৰ ধন দিছে। আৱাস গৃহ দিছে। কংগ্ৰেছত দিনত ঘৰ কেইটা কেৱল খুটাহে আছিল, তিনি ইঞ্চি ৱাল দি এটা কোঠাৰ বেৰ কেইখন লগাই দিছিল। কিন্তু নৰেন্দ্ৰ মোদীৰ দিনত ডেৰ লাখ টকাকৈ দি দুটা কোঠা আৰু বাৰাণ্ডাৰসহ ঘৰ নিৰ্মাণ কৰাই দিছে। মহিলাসকলৰ বাবে উজ্বল আঁচনি দিয়াৰ কথা উল্লেখ হাজৰিকাই কয় যে জুইত ভাত ৰন্ধাৰ বাবে ধোঁৱা ভিতৰলৈ সুমাই কেন্সাৰ হৈছিল। এইটো অপ্ৰিয় সত্য বুলি উল্লেখ কৰি আৰু কয় আমাৰ চৰকাৰে ৰেচন কাৰ্ড দিছো। ৰেচন কাৰ্ড লাভ কৰা সকলো পৰিয়ালে অৰুণোদয় লাভ কৰিবই বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰী মহিলা উদ্যমিটা আঁচনি সম্পৰ্কত মন্ত্ৰীগৰাকীয়ে কয় এই আঁচনিৰ জৰিয়তে মহিলাসকল লাখপতি হ'ব। ভূমি পট্টা দিছো, কৃষকসকলক উচিত মূল্য দিবৰ বাবে নিৰ্ধাৰিত মূল্যত ধান ক্ৰয়ৰ ব্যৱস্থা কৰিছো। গৌৰৱ গগৈক সমালোচনা কৰি মন্ত্ৰী হাজৰিকাই কয় ' সাংসদ হৈ থাকোতে ১০ বছৰৰ ভিতৰত ২ বছৰ পিতৃ মুখ্যমন্ত্ৰী হৈ আছিল। এই সময়ছোৱাত তাত এটাও উদ্যোগ স্থাপন কৰিব নোৱাৰিলে।একো নকৰিলে কলিয়াবৰৰ বাবে বুলি উল্লেখ কৰি কেৱল সংসদত মোদী ডাঙৰীয়াক গালি পাৰে কলিয়াবৰৰ কথা একো নকলে আৰু এতিয়া মাজুলীৰ কথা ক'ত ক'ব বুলি কৈ যি মূলা বাঢ়ে দুপাতে চিন বুলি উল্লেখ কৰে। মাজুলীৰ ৰাইজক উন্নয়ন আৰু প্ৰগতিৰ পক্ষত থাকি তপন গগৈকজয়ী কৰাবলৈ ৰাইজক আহ্বান জনায়।

# ৰংবং তেৰাঙক 'সাহিত্য ভাস্কৰ', আনিছউজ জামানক 'কাব্যঋষি', সমীৰ তাঁতীক 'কাব্যৰত্ন' বঁটা

## কবি সন্মিলনৰ সপ্তদশ মধ্যকালীন অধিবেশনৰ সামৰণি



**ই-সংবাদ, মোৰাঝাৰ, ২৪ মাৰ্চঃ** সদৌ অসম কবি সন্মিলনৰ সপ্তদশ মধ্যকালীন পাৰখোৱা অধিৱেশন আজি অন্তিম দিন৷ অধিৱেশনৰ দ্বিতীয় তথা অন্তিম দিনটোত আজি পুৱা ৯ বজাত ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নিলম বড়োৱে ফ্লেগ অফ কৰা কবিতাৰ সমদল যাত্ৰাৰে কাৰ্যসূচীৰ শুভাৰম্ভ হয়। দুপৰীয়া ১২:৩০ বজাত সদৌ অসম কবি সন্নিলনৰ সভাপতি বংশী বৰাৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে সন্মিলনৰ প্ৰাক্তন সভাপতি ড০ মাণিক শইকীয়াই। আদৰণী সমিতিৰ মুখ্য সম্পাদক কৃষ্ণ দৈমাৰীয়ে আঁতধৰা আৰু সন্মিলনৰ প্ৰধান সম্পাদক চৈয়দ পাৰভিজ হুচেইনে আদৰণী ভাষণ আগবঢ়োৱা মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে সন্মিলনৰ প্ৰাক্তন সভাপতি প্ৰেম গগৈ, সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে কাৰ্বি লামেত আমাইৰ উপ-সভাপতি কাৰন হাঞ্চেপী, কাৰ্বি আংলং জিলা সাহিত্য সভাৰ সভাপতি ভবেন কোঁচ, কাৰ্বি লামেত আমাইৰ সম্পাদক লীলাধৰ টেৰণ, বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে সন্মিলনৰ প্ৰাক্তন সভাপতি নীলকান্ত শইকীয়া আৰু প্ৰদীপ শইকীয়া৷ সন্মিলনৰ প্ৰাক্তন প্ৰধানসম্পাদক দেবজিত কুমাৰ দত্ত, গংগামোহন মিলি আৰু উজ্জ্বল পাওগামো উপস্থিত থাকে। এই মুকলি সভাতেই অসমৰ সাহিত্য সংস্কৃতি আৰু কাব্য-সাহিত্যলৈ আগবঢ়োৱা বৰেণ্য ব্যক্তিসকলক সদৌ অসম কবি সন্মিলনৰ তৰফৰপৰা বিশেষ সন্মান আৰু বঁটাসমূহ প্ৰদান কৰা হয়। প্ৰথিতযশা সাহিত্যিক ৰংবং তেৰাঙক 'সাহিত্য ভাস্কৰ', প্ৰথিতযশা কবি আনিছ উজ জামানক 'কাব্যঋষি', প্ৰথিতযশা কবি সমীৰ তাঁতীক 'কাব্যৰত্ন', প্ৰথিতযশা কবি নগেন কোঁৱৰক 'কবিপ্ৰাণ', বিশিষ্ট কবি গীতা দাসক 'কাব্য মহীয়সী', বিশিষ্ট সমাজকৰ্মী তথা কাব্য হৃদয়া এলিজা বেগমক 'সমাজকৰ্মী বিকিৰাম পাওগাম সোঁৱৰণী কাব্য সন্মান', বিশিষ্ট কবি তথা কাব্য সংগঠক হৰেন গগৈক 'ড০ কুতুবুদ্দিন আহমেদ কাব্য বঁটা', বিশিষ্ট কবি পবিত্ৰ গগৈক 'থানেশ্বৰ গোস্বামী কাব্য বঁটা', বিশিষ্ট যুৱকবি তথা কাব্য সংগঠক কৃষ্ণ দৈমাৰীক 'তৰুণ কোঁৱৰ কাব্য বঁটা', সন্মিলনৰ কবি-সংগঠকসকল ভৱেনচন্দ্ৰ নাথ, মাধৱ চন্দ্ৰ ডেকা, প্ৰজ্ঞা পৰিমিতা বৰুৱা, মফিদা বেগম, জগত গগৈ, পৱন শৰ্মা, সঞ্জীৱ সাগৰ চৌধুৰী, নাৰচিমা বেগম বৰা, প্ৰশান্ত দত্ত, সুৰেশ ভূঞা, জুনমণি গগৈ আৰু আৰতি মেধিক' কবিপ্ৰাণ আনন্দ দত্ত কাব্য বঁটা' প্ৰদান কৰা হয়। মুকলি সভাতেই জয়জ্যোতি গগৈ সম্পাদিত সদৌ অসম কবি সন্মিলনৰ মুখপত্ৰ 'সমলয়' আৰু মৃদুল কুমাৰ চহৰীয়া, অনুভৱ সাগৰ আৰু কৌস্তভ খাউণ্ড সম্পাদিত 'নতুন কবিতা' উন্মোচন কৰা হয়। মুকলি সভাৰ পাছতেই বিয়লি ৪:৩০ বজাৰ পৰা বিশিষ্ট কবি নীলিম কুমাৰৰ সঞ্চালনাত অনুষ্ঠিত আমন্ত্ৰিত কবি সন্মিলন উদ্বোধন কৰে বিশিষ্ঠ কবি তথা সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি নীলকান্ত শইকীয়াই। সদৌ অসম কবি সন্মিলনৰ সপ্তদশ মধ্যকালীন পাৰখোৱা অধিৱেশন সফল ৰূপায়ন কৰাৰ বাবে পাৰখোৱা শাখা কবি সন্মিলন, কাৰ্বি আংলং জিলা কবি সন্মিলন, আকাশীগঙ্গা শিৱ থান উন্নয়ন সমিতিৰ লগতে বৃহত্তৰ পাৰখোৱাবাসীক সন্মিলনৰ সভাপতি বংশী বৰা আৰু প্ৰধান সম্পাদক চৈয়দ পাৰভিজ হুচেইনে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছে৷

## কঠোৰ শাস্তি ঘোষণা আৰক্ষী-প্ৰশাসনৰ

# মুছলমান মহিলাক জোৰ-জোবৰদস্তি সানিলে ৰং, চাৰিজনক গ্ৰেপ্তাৰ

**নতুন দিল্লী, ২৪মাৰ্চঃ** মুছলমান পৰিয়ালক জোৰ-জোবৰদস্তি ফাকুৱা খনা এটা ভিডিঅ' ভাইৰেল হৈছে সামাজিক মাধ্যমত৷ ভিডিঅ'টো উত্তৰ প্ৰদেশৰ বিজনৌৰৰ বুলি জানিব পৰা গৈছে৷ আৰক্ষীয়ে ভাইৰেল ভিডিঅ' সন্দৰ্ভত তদন্ত আৰম্ভ কৰি এজন লোকক গ্ৰেপ্তাৰ কৰাৰ লগতে তিনি নাবালকক আটক কৰিছে। পোহৰলৈ অহা ভিডিঅ'টোত দেখা গৈছিল যে কিছু লোকে হোলী ৰং দিবলৈ এজন মুছলমান পুৰুষ আৰু দুই মহিলাক হাৰাশাস্তি কৰি আছিল। বলপূৰ্বক ৰং দিছিল। বাইকত যোৱা লোককেইজনৰ ওপৰত পানীও নিক্ষেপ কৰা হৈছিল। মহিলাই বিৰোধিতা কৰাৰ পাছতো গুৰুত্ব দিয়া নাছিল। এই সময়ছোৱাত ধৰ্মীয় শ্ল'গানো দিয়া দেখা যায়৷ ভিডিঅ'টো ভাইৰেল হোৱাৰ পাছতে বিজনৌৰৰ আৰক্ষী অধীক্ষক নীৰজ কুমাৰ যাদুনে স্থানীয় আৰক্ষীক ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়ে। ঘটনা উত্তৰ প্ৰদেশৰ ধামপুৰ আৰক্ষী থানা এলেকাত সংঘটিত হোৱাৰ তথ্য লাভ কৰে। আৰক্ষীয়ে ভাইৰেল ভিডিঅ'ত প্ৰত্যক্ষ কৰা লোকসকলক চিনাক্ত কৰে। আৰক্ষীয়ে ব্যৱস্থা গ্ৰহণ কৰি এজন ব্যক্তিক গ্ৰেপ্তাৰ কৰি বিভিন্ন ধাৰাৰ অধীনত এটা গোচৰ ৰুজু কৰা হৈছে৷ অন্যায়ভাৱে হাৰাশাস্তি কৰা, স্বেচ্ছাই মহিলাগৰাকীক আঘাতকৰাৰ ধাৰা সন্নিৱিষ্ট কৰা হৈছে। আৰক্ষীয়ে অনিৰুদ্ধ বুলি চিনাক্ত কৰা এজন লোকক গ্ৰেপ্তাৰ কৰিছে আৰু এই সন্দৰ্ভত তিনিজন কিশোৰক আটক কৰিছে। বিজনৌৰ আৰক্ষীয়ে এক্সত পোষ্ট কৰা এটা ভিডিঅ' বাৰ্তাত বিষয়া নীৰজ যাদুনে কয় যে হোলীৰ সময়ত মানুহে কাকো বিচলিত কৰিব নালাগে। অনুগ্ৰহ কৰি মানুহক জোৰ কৰি ৰং নিদিব। আইন ভংগ কৰা যিকোনো লোকৰ বিৰুদ্ধে আৰক্ষীয়ে ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য।

# বিটিআৰৰ ইএম সঞ্জিত তান্তীৰ উদ্যোগত ৰচনা প্ৰতিযোগিতা



**ই-সংবাদ, শুক্লাই, ২৪ মাৰ্চঃ** ৰাজনীতিৰ সমান্তৰালকৈ মানৱ সম্পদ গঢ়াত গুৰুত্ব দি আহিছে বিটিআৰৰ কাৰ্যবাহী সঞ্জিত তান্তীয়ে৷ ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক আৰু বৌদ্ধিক উত্তৰণৰ লক্ষ্যৰে দেওঁবাৰে ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত হয়। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে ৰচনা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে৷ ননৈ চেৰফাং সমষ্টিৰ বামুণজুলি মধ্য ইংৰাজী বিদ্যালয় আৰু লক্ষ্মীনাথ বেজবৰুৱা হাইস্কুলত পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত হয় ৰচনা প্ৰতিযোগিতা। ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ৰচনাৰ বিষয়বস্তু আছিল "মোৰ জীৱনৰ লক্ষ্য"৷ দুয়োটা কেন্দ্ৰত উপস্থিত থাকি প্ৰতিযোগিতা পৰ্যবেক্ষণ কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক উদগনি যোগায় বিটিচিৰ কাৰ্যবাহী সঞ্জিত তান্তীয়ে৷ প্ৰতিযোগিতাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থানপ্ৰাপ্তক নগদ ৩০ হাজাৰ, ২০ হাজাৰ আৰু ১০ হাজাৰ টকাৰ পুৰস্কাৰ আগবঢ়োৱা হ'ব বুলি জানিবলৈ দিয়ে সঞ্জিত তান্তীয়ে ৷

# দৌল উৎসৱৰ সময়ত পথ সুৰক্ষা বজাই ৰখাৰ আহ্বান

**গুৱাহাটী, ২৪মাৰ্চঃ** দৌল উৎসৱৰ এই বৰ্ণিল আনন্দময় সময়চোৱাত সকলো পথ-যানবাহন ব্যৱহাৰকাৰীকে পথ-সুৰক্ষাৰ নীতি-নিৰ্দেশনা সঠিকভাৱে মানি চলাৰ আহ্বান জনাইছে ৰাজ্যৰ উপ-পৰিবহণ আয়ুক্ত তথা অতিৰিক্ত দায়িত্ববাহী কামৰূপ মহানগৰ জিলা পৰিবহণ বিষয়া গৌতম দাসে ৷ কাইলৈৰ পৰা অনুষ্ঠিত হ'বলগীয়া হেপাঁহৰ ৰঙেৰে ৰঙীয়াল পবিত্ৰ দৌল উৎসৱৰ সময়চোৱাত সকলোকে পবিত্ৰতা আৰু সংযম ৰক্ষা কৰি চলিবলৈ আহ্বান জনাই পথ-সুৰক্ষাৰ বাবে মানি চলিবলগীয়া নীতি-নিৰ্দেশনাসমূহ উপ-পৰিবহণ আয়ুক্ত গৰাকীয়ে উল্লেখ কৰে ৷ সকলো যানবাহন ব্যৱহাৰকাৰীকে দৌল উৎসৱৰ শুভেচ্ছা জনাই তেওঁ কয় যে, পৰম্পৰাগতভাৱে আবিৰেৰে উদযাপন কৰক ৰঙৰ উৎসৱ ৷ ধৰ্মীয় পৰম্পৰাৰে পালিত ৰঙৰ উৎসৱৰ আনন্দত মতলীয়া হৈ সুৰাপান কৰি, দ্ৰুতগতিত গাড়ী চলাই কোনোৱে যাতে অনাকাংক্ষিত পৰিস্থিতিৰ সৃষ্টি নকৰে ৷ চাৰিচকীয়া বাহনত সকলোৱে ছীটবেল্ট আৰু দুচকীয়া বাহনৰ চালক-আৰোহী উভয়ে সঠিক আইএছআই চিহ্নযুক্ত হেলমেট পৰিধান কৰাৰ লগতে ম'বাইলত কথা পাতি গাড়ী চলাই কোনো কাৰণতে যাতে বিপদ কঢ়িয়াই নানে ৷ "পথ-সুৰক্ষাই জীৱন ৰক্ষা" বুলি উল্লেখ কৰি উপ-পৰিবহণ আয়ুক্তগৰাকীয়ে এই সময়চোৱাত সজাগ হ'বলৈ আহ্বান জনায়।

# গুৱাহাটীত আপৰ তীব্ৰ প্ৰতিবাদ

**ই-সংবাদ, ২৪মাৰ্চঃ** দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক ১০০ কোটি টকীয়া সুৰা কেলেংকাৰীৰ গোচৰত গ্ৰেপ্তাৰৰ পাছতে দেশজুৰি প্ৰতিবাদ অব্যাহত ৰাখিছে আম আদমী পাৰ্টীৰ নেতা-কৰ্মীয়ে৷ দেশৰ ৰাজধানী দিল্লীৰ লগতে দেশৰ বিভিন্ন প্ৰান্তত প্ৰতিবাদ অব্যাহত ৰখাৰ সময়তে আজি গুৱাহাটীত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে আপৰ নেতা-কৰ্মীয়ে৷ গুৱাহাটী মহানগৰীত নেতা-কৰ্মীয়ে প্ৰতিবাদ সাব্যস্ত কৰে। আম আদমী পাৰ্টীৰ গণেশগুৰিস্থিত ৰাজ্যিক কাৰ্যালয়ৰ সন্মুখত সাব্যস্ত কৰা প্ৰতিবাদত ৰাজ্যিক নেতাই অংশ লয়৷ দিল্লীৰ মুখ্যমন্ত্ৰী কেজৰিৱালক গ্ৰেপ্তাৰৰ বিৰোধ কৰি বিজেপি মুৰ্দাবাদ, আপ জিন্দাবাদকে ধৰি বিভিন্ন শ্ল'গান দি পৰিবেশ উত্তাল কৰি তোলে৷ ইডি-এ সুৰা কেলেংকাৰীৰ গোচৰত ২১ মাৰ্চত গ্ৰেপ্তাৰ কৰিছিল দিল্লীৰ মুখ্যমন্ত্ৰী কেজৰিৱালক। গ্ৰেপ্তাৰৰ পাছতে দেশজুৰি প্ৰতিবাদ আৰম্ভ হৈছে।



# ওদালগুৰিত শ্ৰীশ্ৰীকৃষ্ণৰ দৌল মহোৎসৱৰ শুভাৰম্ভ





**ই-সংবাদ, ওদালগুৰি ২৪ মাৰ্চ:** আতচবাজিৰে উদ্ভাসিত হৈ পৰিল ওদালগুৰিৰ আকাশ। আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ওদালগুৰিৰ শ্ৰীমন্ত শংকৰদেৱ সত্ৰত আৰম্ভ হ'ল শ্ৰীশ্ৰীকৃষ্ণৰ দৌল মহোৎসৱ। কাৰ্যসূচী অনুসৰি আজি পুৱা ৫ বজাত নিত্য প্ৰসঙ্গৰ পাছত সন্ধিয়া ৬-৩০ বজাত শ্ৰীশ্ৰীকৃষ্ণৰ দৌল যাত্ৰা (গন্ধ উৎসৱ)ৰ শুভাৰম্ভ হয়। গন্ধোৎসৱৰ সৈতে সংগতি ৰাখি পৰম্পৰাগতভাৱে বৰপেটাৰ থলুৱা আতচবাজী প্ৰদৰ্শনৰ শুভাৰম্ভ কৰে বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে। ইয়াৰ পূৰ্বে বড়োৱে প্ৰদান কৰা ভাষণত কয় "ওদালগুৰি টাউনৰ মজিয়াত সুন্দৰকৈ দৌল উৎসৱ পালন কৰি আহিছে। ইয়াৰ দ্বাৰা আমাৰ মাজত ঐক্য, শান্তি আৰু একতা সুদৃঢ় হব থাকিব। দেশৰ প্ৰধানমন্ত্ৰী আৰু ৰাজ্যৰ মুখ্যমন্ত্ৰীৰনেতৃত্বত বিটিআৰত শান্তি ঘুৰি আহিছে। সকলোকে আগন্তুক ফাকুৱাৰ শুভেচ্ছা জনালো। সকলোৰে মাজত মিলা প্ৰীতিৰে আমি এই উৎসৱ পালন কৰিম। আজি এই অনুষ্ঠানত মোক আমন্ত্ৰণ জনোৱা বাবেসত্ৰ পৰিচালনা সমিতিক ধন্যবাদ জনাইছো।" আতচবাজিৰ পাছত সন্ধিয়া ৭-৩০ বজাত সত্ৰৰ চোতালত নিৰ্মিত মেজি প্ৰজ্বলন কৰে সত্ৰখনৰ শৰণাচাৰ্য বাপ বিমল ভকতে। লগে লগে শ্ৰীশ্ৰীকৃষ্ণ গোসাইঁক মেজিৰ চৌপাশ পৰিভ্ৰমণ কৰাই দৌলত আৰোহন কৰোৱা হয়। একে সময়তে মঞ্চ উদ্বোধন কৰে সাংসদ দিলীপ শইকীয়াই। মঞ্চ উদ্বোধন কৰি প্ৰদান কৰা ভাষণত শইকীয়াই কয়, "এই উৎসৱৰ দ্বাৰা আধ্যাত্মিক চেতনা বৃদ্ধি পাব। আগন্তুক দিনতো এই অনুষ্ঠানৰ সৈতে জৰিত থকাৰ লগতে সহায়-সহযোগিতা আগবঢ়াই যাম।" মন কৰিবলগীয়া যে ইটালীৰ পৰা অহা পৰ্যটকেও আজি ওদালগুৰিৰ এই দৌল মহোৎসৱৰ আতচবাজি অনুষ্ঠান উপভোগ কৰে। অসমৰ এনে সংস্কৃতি উপভোগ কৰি অভিভূত হৈ পৰা বুলি সাংবাদিকৰ সন্মুখত মত ব্যক্ত কৰে। নিশা ৮-৩০ বজাত সঙ্গীত নাটক অকাডেমী বটাঁপ্ৰাপক গুণীন্দ্ৰ নাথ ওজাক সম্বৰ্দ্ধনা জ্ঞাপন কৰে দৌল মহোৎসৱ উদযাপন সমিতিয়ে। নিশা ন বজাত আমন্ত্ৰিত শিল্পীৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান প্ৰদৰ্শনৰ পাছতেই প্ৰথম দিনৰ কাৰ্যসূচীৰ সামৰণি পৰে।

# শেষ পৃষ্ঠা

## আই পি এলত ৰাজস্থানৰ জয়

**জয়পুৰ, ২৪ মাৰ্চঃ** ইণ্ডিয়ান প্ৰীমিয়াৰ লীগত আজি ৰাজস্থান ৰয়েলছে লক্ষ্ণৌ চুপাৰ গেইণ্টৰ বিৰুদ্ধে ২০ ৰানত জয়লাভ কৰিছে। টছত জয়লাভ কৰি প্ৰথমে বেটিং কৰি লক্ষ্ণৌক ১৯৪ ৰানৰ লক্ষ্য প্ৰদান কৰে ৰাজস্থানে। প্ৰত্যুত্তৰত লক্ষ্ণৌ নিৰ্ধাৰিত অভাৰত ছয় উইকেট হেৰুৱাই সংগ্ৰহ কৰে ১৭৩ ৰান। অধিনায়ক কে এল ৰাহুল আৰু নিকোলাচ পুৰানৰ অৰ্ধশতৰান অথলে যায়। পুৰনে অপৰাজিতভাৱে ৬৪ আৰু ৰাহুলে কৰে ৫৮ ৰান। ৰাজস্থানৰ হৈ ট্ৰেণ্ট বল্টে দুটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে টছত জয়ীহৈ প্ৰথমে বেটিং কৰি নিৰ্ধাৰিত অভাৰত চাৰি উইকেটত হেৰুৱাই ১৯৩ ৰান সংগ্ৰহ কৰে ৰাজস্থান ৰয়েলছে। ৰাজস্থানৰ অধিনায়ক সঞ্জু চামছনে সৰ্বাধিক ৮২ ৰান কৰি অপৰাজিত হৈ ৰয়। অসমৰ অলৰাউণ্ডাৰ ৰিয়ান পৰাগে আজি সুন্দৰ বেটিং উপহাৰ দিয়ে। মাত্ৰ ২৯ বলত ৪৩ ৰান কৰা পৰাগে অধিনায়ক চামছনৰ লগত ৬১ বলত ৯৩ ৰানৰ যুটি গঢ়ি দলৰ ভেটি মজবুত কৰে। ইয়াৰ লগতে যশস্বী জয়চোৱালে ২৪ আৰু ধ্ৰুৱ জুৰেলে অপৰাজিতভাৱে ২০ ৰান কৰে। লক্ষ্ণৌৰ হৈ নৱিন উল হকে দখল কৰে দুটা উইকেট। ৰাজস্থানৰ অধিনায়ক সঞ্জু চামছন মেছৰ শ্ৰেষ্ঠ বিবেচিত হয়।

## 'ছাত্ৰ দিৱস' পালনৰ নিৰ্দেশ

**ই-সংবাদ, ২৪মাৰ্চঃ** নিৰ্বাচনী অধিসূচনা জাৰি হৈ থকাৰ সময়তে আজি ৰাজ্য চৰকাৰে বিশেষভাৱে 'ছাত্ৰ দিৱস' পালনৰ নিৰ্দেশনা জাৰি কৰিছে৷ ৰাজ্যৰ সকলো উচ্চ শিক্ষানুষ্ঠানক ৩১ মাৰ্চত ছাত্ৰ দিৱস পালন কৰিবলৈ নিৰ্দেশ দিয়া হৈছে৷ বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ জন্ম জয়ন্তীৰ দিনটোত ৩১ মাৰ্চত এই দিৱস পালন কৰা হ'ব৷ বড়োফালৈ শ্ৰদ্ধাঞ্জলি প্ৰদান কৰাৰ লগতে ছাত্ৰ দিৱসৰ দিনটোত ছাত্ৰক বিষয়বস্তু হিচাপে লৈ বিভিন্ন অনুষ্ঠান আয়োজন কৰিবলৈ নিৰ্দেশ দিয়া হৈছে৷ উচ্চ শিক্ষা বিভাগৰ সঞ্চালিকা পমী বৰুৱাই এই নিৰ্দেশ প্ৰদান কৰিছে৷




## দৰং-ওদালগুৰি সমৰ্থিত ডেনিয়েল মাৰ্দি অবড়ো সুৰক্ষা সমিতিৰ প্ৰাৰ্থী

**ই-সংবাদ, ২৪মাৰ্চঃ** আজি গোৰেশ্বৰত অবড়ো সুৰক্ষা সমিতিৰ কেন্দ্ৰীয় সমিতিয়ে অনুষ্ঠিত কৰা এখন সংবাদমেলত লোকসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ ঘোষণা কৰে৷ কোকৰাঝাৰ আৰু দৰং-ওদালগুৰি সমৰ্থিত প্ৰাৰ্থী দিয়াৰ ঘোষণা কৰিছে৷ নিৰ্বাচন প্ৰতিদ্বন্দ্বিতাৰ ঘোষণা কৰি আজি এটা সমৰ্থিৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰে৷ দৰং-ওদালগুৰি লোকসভা সমৰ্থিত অবড়ো সুৰক্ষা সমিতিয়ে ডেনিয়েল মাৰ্দিক প্ৰাৰ্থী ঘোষণা কৰে৷ অবড়ো সুৰক্ষা সমিতিৰ নেতা যোগেশ্বৰ কলিতাই গোৰেশ্বৰত সংবাদমেল সম্বোধন কৰি দৰং-ওদালগুৰি লোকসভা সমৰ্থিৰ বাবে ডেনিয়েল মাৰ্দিৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰে। আনহাতে, হোলীৰ পাছতে নৱ কুমাৰ শৰণীয়াৰ বিকল্প হিচাপে কোকৰাঝাৰত প্ৰাৰ্থী ঘোষণা কৰিব বুলি কয় যোগেশ্বৰ কলিতাই৷ যোগেশ্বৰ কলিতাই অবড়ো সুৰক্ষা সমিতিৰ মাধব ৰাজবংশী গোট আৰু ললিত হেমৰমৰ গোটে একত্ৰিত হৈ উমৈহতীয়া প্ৰাৰ্থী ঘোষণা কৰা বুলি উল্লেখ কৰে। কোকৰাঝাৰ লোকসভা সমৰ্থিত অবড়ো সুৰক্ষা সমিতিৰ প্ৰক্ষেপিত প্ৰাৰ্থী বুলি দাবী কৰি জোন দাসে বিপৰীত পক্ষৰ ষড়যন্ত্ৰত ভৰি দি ৰাতিটোৰ ভিতৰতে নিজকে প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিছে বুলি কৈ প্ৰকৃততে জোন দাস অবড়ো সুৰক্ষা সমিতিৰ প্ৰাৰ্থী নহয় বুলি কয় কলিতাই৷ জোন দাসে অবড়ো ৰাইজৰ আবেগ অনুভূতিক লৈ হেতালি খেলিছে। তেওঁ আমাৰ প্ৰাৰ্থী নহয়। ইফালে এইবাৰ নৱ কুমাৰ শৰণীয়াৰ প্ৰাৰ্থীত্ব বৈধ নহ'ব পাৰে বুলি কৈ বিকল্প হিচাপে অবড়ো সুৰক্ষা সমিতিয়ে কোকৰাঝাৰত প্ৰাৰ্থী দিব বুলি কলিতাই উল্লেখ কৰে। সাংসদ হিচাপে নৱ কুমাৰ শৰণীয়াই অবড়ো ৰাইজৰ যি আবেগ-অনুভূতিক সাংসদ হৈছিল সেইখিনি সংসদত উত্থাপন কৰাত বিফল হোৱা বুলি শৰণীয়াক সমালোচনা কৰে যোগেশ্বৰ কলিতাই।




newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮ | বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান